# অধ্যায় ৭ ঃ অলংকাৰ

## অধ্যায় গাঁথনি


৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ অলংকাৰ শব্দৰ অৰ্থ

৭.৪ অলংকাৰৰ সংজ্ঞা

৭.৫ সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা

৭.৬ কাব্যত অলংকাৰৰ স্থান

৭.৭ অলংকাৰৰ শ্ৰেণীবিভাজন

৭.৭.১ শব্দালংকাৰ

৭.৭.২ অৰ্থালংকাৰ

৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৯ অধিক জানিবলৈ

৭.১০ অগ্ৰগতিৰ খতিয়ান

৭.১১ আৰ্হি প্ৰশ্ন


## ৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অলংকাৰ শব্দৰ অৰ্থ নিৰূপণ কৰিব পাৰিব
- অলংকাৰৰ সংজ্ঞা আগবঢ়াব পাৰিব
- বিভিন্ন আলংকাৰিকে অলংকাৰ সম্পৰ্কে আগবঢ়োৱা মতামতসমূহৰ তাৎপৰ্য ব্যাখ্যা কৰিব পাৰিব
- সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা নিৰ্দ্ধাৰণ কৰি কাব্যত তাৰ স্থান নিৰ্ণয় কৰিব পাৰিব
- অলংকাৰৰ শ্ৰেণীবিভাজন কৰিব পাৰিব।

## ৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় কেইটিত আপুনি সাহিত্যৰ কেইটিমান উল্লেখযোগ্য উপাদান ধ্বনি, ৰস, বক্ৰোক্তি, গুণ, ৰীতি তথা ছন্দৰ সম্যক পৰিচয় লাভ কৰাৰ লগতে কেইটিমান পুৰণি অসমীয়া ছন্দৰ বিষয়েও অধ্যয়ন কৰিলে। এই অধ্যায়টোত আপুনি প্ৰাচ্য নন্দনতত্ত্বৰ আন এটি উল্লেখযোগ্য উপাদান 'অলংকাৰ'ৰ বিষয়ে আধ্যয়ন কৰিবলৈ পাব।

মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ প্ৰধানতঃ ভাষাৰ সহায় গ্ৰহণ কৰে। ভাবৰ উঠা-নমা, তীব্ৰতা, দৃঢ়তা, আধিক্য আদি প্ৰকাশ কৰিবলৈ পোনপটীয়া ভাষা এটি অপূৰ্ণ মাধ্যম হিচাপেই গণ্য কৰা হয়। ভাষাৰ এই অক্ষমতা দূৰ কৰিবলৈ প্ৰত্যেকেই যত্নপৰ। সেয়ে মানুহে নিজৰ বক্তব্য সবল আৰু দৃঢ় কৰিবৰ বাবে তাত ৰহণ সানে। এনে কৰাৰ ফলত শব্দই এক নতুন মাত্ৰা লাভ কৰে, বক্তব্যই গভীৰতা পায়। এনেদৰে মানুহে মনত সুখ লগাকৈ মনৰ ভাব প্ৰকাশ কৰিবলৈ যত্ন কৰা প্ৰয়াসতেই অলংকাৰৰ উৎপত্তি। এই অধ্যায়টিত আপুনি অলংকাৰ শব্দৰ অৰ্থ, অলংকাৰৰ সংজ্ঞা, সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা, কাব্যত অলংকাৰৰ স্থান আদিৰ বিষয়ে বিশদভাৱে অধ্যয়ন কৰিবলৈ পাব। তদুপৰি অলংকাৰৰ শ্ৰেণীবিভাজন সম্পৰ্কেও কিছু ধাৰণা লাভ কৰিব।

## ৭.৩ অলংকাৰ শব্দৰ অৰ্থ

অলংকাৰ শব্দৰ পাৰিভাষিক অৰ্থ হ'ল — শব্দ আৰু অৰ্থৰ শোভা বঢ়াবলৈ প্ৰয়োজনাৰিক্ত সহায়ক গুণ। সংস্কৃত 'আলং' বা 'আলম্' শব্দৰ পৰাই অলংকাৰ শব্দটি নিষ্পন্ন হৈছে। প্ৰাচীন আলংকাৰিকসকলে অলংকাৰ শব্দটি দুই ধৰণৰ অৰ্থত ব্যৱহাৰ কৰিছে। প্ৰথম ধাৰণা মতে পৰ্যাপ্তি বা যথেষ্ট, অৰ্থাৎ হ'ল আৰু নালাগে আৰু দ্বিতীয় অৰ্থ মতে ভূষণ।

মানুহে মনৰ ভাব প্ৰকাশ কৰোতে যি বাগ্-ভংগীয়ে মনক আহ্লাদিত কৰাৰ লগতে পৰ্যাপ্তিৰ ধাৰণা আনে সেয়াই অলংকাৰ। 'অহং অহং' ভাবটি যেনেদৰে অহংকাৰ ঠিক সেইদৰে 'অলং অলং' ভাবটি অলংকাৰ। উদাহৰণেৰে এই বাগ্-ভংগীৰ বিষয়ে সঠিক ধাৰণা লাভ কৰিব পৰা যাব। কোনো মুখৰা তিৰোতাৰ কথা ক'বলৈ গৈ কোৱা — "মুখখন লাওপাত-কচুপাত" নাইবা ৰমণীৰ সুন্দৰ মুখাবয়বৰ কথা ক'বলৈ গৈ কোৱা — "পদুমৰ নিচিনা মুখ" নাইবা "মুখ নহয় যেন পদুম হে" — আদি বাক্যই কওঁতাৰ মনলৈ পৰ্যাপ্তিৰ ধাৰণা আনে। প্ৰথম উদাহৰণটিত লাওপাত বা কচুপাতৰ লগত মানুহৰ মুখৰ পোনপটীয়া সম্পৰ্ক নাই; কিন্তু এই লাওপাত বা কচুপাতে খজুৱাৰ বা বিজ্-বিজাই যোৱাৰ দৰে তিৰোতাগৰাকীৰ মুখৰ কথাইও বিজ্-বিজায় যায়। সেই অৰ্থ দৃঢ় তথা গাঢ়ভাৱে প্ৰকাশ কৰিবলৈ আপাত দৃষ্টিত মিল নথকা দুটা বস্তুৰ লগত তুলনা কৰা হৈছে। ঠিক সেইদৰে দ্বিতীয় উদাহৰণটিতো ৰমণীৰ মুখৰ লগত পদুমৰ কোনো ধৰণৰ পোনপটীয়া সম্বন্ধ নাই; কিন্তু তাইৰ মুখৰ কমনীয়তাক অধিক অৰ্থবহভাৱে প্ৰকাশ কৰিবলৈ পদুমৰ লগত ৰিজোৱা হৈছে। সাধাৰণ এটি মনৰ ভাব প্ৰকাশ কৰিবলৈ ইমান আওপকীয়াকৈ কোৱাৰ প্ৰয়োজনীয়তা কি? এই প্ৰশ্নৰ উত্তৰতেই অলংকাৰৰ পৰ্যাপ্তিৰ ধাৰণাটি সোমাই আছে। এক অৰ্থত ক'ব পাৰি এনে দৰে ৰহন লগাই ক'লে বক্তাজনৰ মনত সুখানুভূতিৰ সৃষ্টি হোৱাৰ লগতে "হ'ল আৰু নালাগে"— এই ভাবটিও মনলৈ আহিব, অৰ্থাৎ তেওঁৰ আলম্ প্ৰাপ্তি হ'ব। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে তেওঁৰ "শেষ কথা" নামৰ কবিতাটিত লিখিছে —

মনে হয় কী একটি শেষ কথা আছে।
সে কথা হইলে বলা শেষ বলা হয়।।

কল্পনা কাঁদিয়ে ফিরে তারি পাছে পাছে।
তারি তরে চেয়ে আছে সমস্ত হৃদয়।।

এই শেষ কথা কোৱাই আপাতদৃষ্টিত কাব্যৰ বাক্-নির্বাণ বা আলম্ বোধ আৰু ইয়েই কাব্যৰ সৌন্দর্য। দ্বিতীয় ধাৰণা মতে যাৰ সহায়েৰে কাব্য আলম্ বা ভূষিত কৰা হয় সেয়াই অলংকাৰ। এই দৃষ্টিকোণৰ পৰা চাবলৈ হ'লে অলংকাৰ কাব্যৰ বাহ্যিক শোভাবৰ্দ্ধক এক উপাদানহে।

উপর্যুক্ত আলোচনাৰ পৰা আমি ধাৰণা লাভ কৰিলোঁ যে অলংকাৰে মূলতঃ কাব্যৰ শব্দ তথা অৰ্থৰ শোভা বৃদ্ধি কৰি কওঁতাৰ মন ভৰাই তোলে।



**জানি থোৱা ভাল**

বিখ্যাত আলংকাৰিক ৰাজনক ৰুয্যকে তেওঁৰ *অলংকাৰ-সৰ্বস্ব* গ্ৰন্থত বাগ্-দেৱীক ত্ৰিবিধ বিগ্ৰহা দেৱী বুলি মংগলাচৰণ শ্লোকতে স্তুতি কৰিছে। এই কথাটি বিশেষভাৱে তাৎপৰ্যপূৰ্ণ, কাৰণ বাগ্-দেৱীৰ ***অভিধা, লক্ষণা আৰু ব্যঞ্জনা*** — বাক্যৰ এই তিনি ৰূপৰ গ্ৰহণৰ ফলতেই অনন্ত সৃষ্টি বা বাগ্-বিকল্প সম্ভৱ হৈছে। অনন্ত বাগ্-বিকল্পৰ পৰাই অলংকাৰৰ উদ্ভৱ আৰু বিকাশ হৈছে। তদুপৰি ৰাজনক ৰুয্যকে বাগ্-দেৱীৰ ত্ৰিবিধ বিগ্ৰহা বৰ্ণনাৰে এই তত্ত্বৰ সূচনা কৰে।



***অভিধা, লক্ষণা আৰু ব্যঞ্জনা*** ঃ এই তিনিটা হ'ল শব্দৰ শক্তি। অভিধা মানে শব্দ এটা উচ্চাৰণ হোৱাৰ লগে লগে বোধ হোৱা শক্তি বা অৰ্থ। ইয়াক বাচ্যাৰ্থ বা মুখ্যাৰ্থও বোলা হয়। লক্ষণা হ'ল মূল শব্দৰ লগত সম্বন্ধ থকা আন এটা অৰ্থ উলিয়াই লোৱা শব্দৰ শক্তি। অভিধা আৰু লক্ষণাই প্ৰকাশ কৰাৰ পাছতো যদি আন এটা অৰ্থ প্ৰতীয়মান হয় তেনে শব্দশক্তিকে ব্যঞ্জনা শক্তি বোলা হয়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** সংস্কৃত আলংকাৰিকসকলে অলংকাৰ শব্দৰ মূল কি বুলি নিৰূপণ কৰিছে?

..............................................................................................

## ৭.৪ অলংকাৰৰ সংজ্ঞা

বিভিন্ন সংস্কৃত আলংকাৰিকে অলংকাৰ সম্বন্ধে বিভিন্ন সময়ত তেওঁলোকৰ মতামত আগবঢ়াই গৈছে। অলংকাৰ নিৰূপণৰ ক্ষেত্ৰত প্ৰাচীন সংস্কৃত আলংকাৰিকসকলৰ ভিতৰত আচাৰ্য দণ্ডী আৰু আচাৰ্য বামনৰ মত বিশেষভাৱে উল্লেখযোগ্য।

আচাৰ্য দণ্ডীৰ মতে — "কাব্যশোভাকৰান্ ধৰ্ম্মানলঙ্কাৰান্ প্ৰচক্ষতে।" *(কাব্যদৰ্শ — ২/১)* অৰ্থাৎ সৌন্দৰ্যৰ কাৰণ কাব্যৰ শোভাকৰ ধৰ্মই অলংকাৰ। ইয়াত 'কাব্য শোভাকৰ' শব্দৰ অৰ্থ কাব্যত্ব সম্পাদন, শোভাৰ অৰ্থ — যি শোভাক বাদ দি বাক্য হ'ব নোৱাৰে তাৰে কাৰক। সেয়েহে অলংকাৰ হ'ল কংকণ-কুণ্ডল আদিৰ দৰে একেবাৰে বাহ্যিক সাজ-সজ্জাৰে স্থানীয় নহয়— শৰীৰগত লাৱণ্য স্থানীয়হে। কবিতাৰ শব্দ আৰু অৰ্থৰূপে শৰীৰৰ সৌন্দৰ্য বৃদ্ধি কৰে কাৰণে উপমা, অনুপ্ৰাস আদি উক্তি বৈচিত্ৰ্যক অলংকাৰ বোলা হয়। দণ্ডীয়ে অলংকাৰৰ শব্দকৰণ ব্যুৎপত্তিৰ ওপৰতে সৰ্বাধিক গুৰুত্ব দি অলংকাৰৰ লক্ষণ নিৰূপণ কৰিছে।

আচাৰ্য বামনৰ মতে — "কাব্যং গ্ৰাহ্যমলঙ্কাৰাৎ।" *(কাব্যলঙ্কাৰ সূত্ৰবৃত্তি —১/১/১)* এইটো তেওঁৰ প্ৰথম সূত্ৰ। এই সূত্ৰ মতে কাব্যত অলংকাৰ থকাৰ কাৰণেই তাক কাব্যৰূপে গ্ৰহণ কৰা হয়, অৰ্থাৎ কাব্য উপাদেয় হয় অলংকাৰৰ পৰা। আনহাতে তেওঁ আকৌ কৈছে— "সৌন্দৰ্য্যমলঙ্কাৰঃ" অৰ্থাৎ সৌন্দৰ্যই অলংকাৰ। ইয়াৰ পাছতে তেওঁ পুনৰ কৈছে — "দোষ গুণালঙ্কাৰহানাদানাভ্যাম্।" অৰ্থাৎ দোষহীনতা, গুণযোগ আৰু শব্দালংকাৰ তথা অৰ্থালংকাৰৰ সমাবেশত এই সৌন্দৰ্য স্ফুৰণ হয়। সৌন্দৰ্য বা অলংকাৰেই কাব্যৰ স্বৰূপ-ঘটক সাৰবস্তু। বামনে "অলং" শব্দৰ পৰ্যাপ্তি অৰ্থ গ্ৰহণ কৰি অলংকাৰ শব্দৰ সংকীৰ্ণ অৰ্থ গ্ৰহণ কৰিছে। তেওঁৰ মতে ই কাব্যৰ অনিত্য বা অস্থিৰ ধৰ্ম। তেওঁ ৰীতিক কাব্যৰ আত্মা বুলি মন্তব্য কৰি অলংকাৰক কাব্যৰ শৰীৰ, সৌন্দৰ্য বা শোভাৰ আধাৰস্বৰূপ আৰু অনিত্য ধৰ্ম বুলি কৈছে।

আচাৰ্য ভামহৰ মতে — "ৰূপকাদিৰলঙ্কাৰ - স্তস্যানৈৰ্ব্বহুধোদিতঃ। / ন কান্তমপি নিৰ্ভূষং বিভাতি ৰমণীমুখম্।।" *(ভামহালঙ্কাৰ ঃ ১০/১৩)* ৰমণীমুখ স্বভাৱত মনোহৰ যদিও ভূষণহীন হ'লে শোভাবৰ্ধক নহয়। ঠিক সেইদৰে কাব্যত অলংকাৰ, ৰূপকাদি নাথাকিলে সি শোভন নহয়। ভামহে আকৌ কৈছে— "বক্ৰাভিধেয়া শব্দোক্তিৰিষ্টা বাচামলংকৃতিঃ।" অৰ্থাৎ কবিৰ অভীষ্ট সিদ্ধিৰ জোখাই বক্ৰতাপূৰ্ণ উক্তি বৈচিত্ৰ্যই কাব্যৰ সৌন্দৰ্য বা অলংকাৰ। ইয়াত 'ৰিষ্টা' শব্দই অলম্ অৰ্থাৎ পৰ্যাপ্তি, 'বক্ৰাভিধেয় শব্দোক্তি'য়ে বাক্ ভংগীৰ বিচিত্ৰতা বা চমৎকাৰিতা আৰু 'অলংকৃতি' শব্দই সৌন্দৰ্যৰ অৰ্থ সূচনা কৰিছে। আটাইকেইটা শব্দৰ সংযোগস্থলতেই অলংকাৰৰ পূৰ্ণ লক্ষণ উপস্থাপিত হৈছে।

অন্যান্য ধ্বনিবাদী আচাৰ্যসকলে অলংকাৰক ৰসপুষ্টিৰ সহায়কৰূপেহে নিৰূপিত কৰিছে। তেওঁলোকৰ মতে অলংকাৰ্য সুন্দৰ হোৱাৰ ওপৰতে অলংকাৰৰ সাৰ্থকতা নিৰ্ভৰ কৰে। ***বাচ্য-বাচকৰূপে*** কাব্যশৰীৰ যদি অসুন্দৰ হয়, তাত অলংকাৰৰ শোভাবৰ্দ্ধকতাও নাথাকে; সি কেৱল কথা কোৱাৰ ধৰণ বিশেষত পৰ্যবসিত হয়। উল্লেখযোগ্য যে অভিনবগুপ্ত, আনন্দবৰ্ধনকে আৰম্ভ কৰি বিশ্বনাথ কবিৰাজলৈকে সকলো ধ্বনিবাদী আচাৰ্যই, বামনৰ দৰে কাব্যত অলংকাৰ অস্থিৰ ধৰ্ম বা অনিত্য বুলি হে মন্তব্য কৰিছে। এনেদৰে বিচাৰ কৰি চালে দেখা যায় যে প্ৰত্যেকেই নিজৰ নিজৰ দৰে অলংকাৰৰ সংজ্ঞা নিৰূপণ কৰিছে।

> ***বাচ্য-বাচকঃ*** যি শব্দই মুখ্যাৰ্থক বা অভিধেয় অৰ্থক বুজায়।

## ৭.৫ সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা

আমি আগতেই উল্লেখ কৰিছোঁ যে মানুহে নিজৰ হৃদয়খন উদং কৈ প্ৰকাশ কৰিবৰ বাবেই বেকাকৈ কথা কোৱাৰ ভংগি আৱিষ্কাৰ কৰিলে। ইয়াতেই অলংকাৰৰ জন্ম। কিন্তু অপ্ৰয়োজনত কোনোবাই বাৰু অলংকাৰ ব্যৱহাৰ কৰিবনে? অৰ্থাৎ কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা কি? হয়, কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা আছে। এই প্ৰয়োজনীয়তা উপলব্ধ হয় তিনি ধৰণে—

- বাক্য প্ৰভাৱশালী কৰাৰ বাবে

- বৰ্ণনীয় বিষয় স্পষ্টৰূপত তুলি ধৰিবৰ বাবে, আৰু
- ৰমণীয়তা সম্পাদনৰ বাবে।

- **বাক্য প্ৰভাৱশালী কৰিবৰ বাবে ঃ** কোনো বাক্য ক'লে শুনোতাৰ মনত লাগি যোৱাকৈ বা মনত বহাকৈ কোৱাকে বাক্যক প্ৰভাৱশালী কৰা বুলি কোৱা হয়। ৰূপ, গুণ, ক্ৰিয়া আদিৰ বিষয়ে বৰ্ণনা কৰোতে তাক দৃঢ়ভাৱে বা তীব্ৰভাৱে ফুটাই তুলিবলৈ হ'লে উকা ভাষাৰে প্ৰকাশ নকৰি অলংকাৰ সংযোগ কৰি ক'লে বক্তাৰ মনলৈ পৰ্যাপ্তিৰ ধাৰণা আহে। উদাহৰণস্বৰূপে— ছোৱালী এজনীৰ দুচকুৰ কথা ক'বলৈ গৈ "ধুনীয়া চকুযুৰি" বুলি ক'লে চকুযুৰি যে সুন্দৰ সেই কথা নুবুজাকৈ নাথাকো। কিন্তু আমি যদি তেনেদৰে নকৈ "হৰিণীনয়না" বুলি কওঁ তেন্তে হৰিণৰ দৰে বহল, চঞ্চল চকুযুৰিৰ কথা কল্পনা কৰি চকুযুৰিৰ সৌন্দৰ্য দুগুণে উপলব্ধি কৰিব পাৰিম। অলংকাৰেৰে প্ৰকাশ কৰা বাবেহে এই বাক্যশাৰীৰ অৰ্থ প্ৰভাৱশালী হৈ আমাৰ আগত প্ৰতিভাত হৈছে। বাক্যৰে অন্তৰ স্পৰ্শ কৰি, শুনোতাৰ অনুভূতি তীব্ৰ কৰি বৰ্ণনীয় বিষয়ক দৃঢ়ভাৱে প্ৰতিষ্ঠিত কৰিব পৰা ধৰণটোকে চমুকৈ ক'বলৈ গ'লে বাক্য প্ৰভাৱশালী কৰা বুলি ক'ব পাৰি।

  কালিদাসৰ *অভিজ্ঞানম্‌শকুন্তলম্* নাটকত ৰজা দুষ্যন্তই শকুন্তলাক দেখাৰ লগে লগে তেওঁৰ মুখৰ পৰা নিসৃত হৈছিল — "আয়ে লব্ধং মে নেত্ৰনিৰ্বাণম্"। অৰ্থাৎ মোৰ চকু দুটাই আজি মুক্তি পালে। এই বাক্যশাৰীয়ে শকুন্তলাৰ সৌন্দৰ্যৰ কথা যিমান পূৰ্ণতাৰে প্ৰকাশ কৰিছে সেয়ে তেওঁৰ চুলিৰ পৰা নখলৈকে সুকীয়া সুকীয়াকৈ বৰ্ণাই যোৱা হ'লেও প্ৰকাশিত নহ'লহেঁতেন। দুষ্যন্তৰ চকুৱে নিৰ্বাণ লাভ কৰিলে, চকুৰ দৃষ্টি-বৃত্তিয়ে কৃতকাৰ্যতা লাভ কৰি পৰিসমাপ্তি লাভ কৰিলে। এটা চুটি বাক্যৰে কবিয়ে বক্তাৰ আকুলতাক, প্ৰভাৱশালীভাৱে প্ৰকাশ কৰিছে। সেয়া দীঘলীয়া বৰ্ণনাৰেও সম্ভৱপৰ নহ'লহেঁতেন। এই দুটা উদাহৰণৰ পৰাই বাক্যত অলংকাৰৰ প্ৰভাৱশীলতাৰ কথা হৃদয়ংগম কৰিব পাৰি।

- **বৰ্ণনীয় বিষয়ৰ স্পষ্টীকৰণ ঃ** বাক্যত অলংকাৰৰ দ্বিতীয় প্ৰয়োজনীয়তা হ'ল ই বক্তাৰ মনৰ ভাব অৰ্থাৎ বৰ্ণনীয় বিষয় স্পষ্টৰূপত শুনোতাৰ মনত জগাই তোলে। বিষয়গত ৰূপ, গুণ, ক্ৰিয়া আৰু বিষয়গত ভাব স্পষ্ট কৰিবলৈ হ'লে আমি অলংকাৰৰ সহায় নোলোৱাকৈ সেয়া কৰিব নোৱাৰো। কথাখিনি ভালদৰে বুজিবৰ বাবে এটা উদাহৰণ গ্ৰহণ কৰা হওক। মাধৱ কন্দলীয়ে "চিত্ৰকূট পৰ্বত"ৰ বিষয়ে বৰ্ণনা কৰিবলৈ গৈ কৈছে — "শিখৰে ওপৰে মন্দাকিনী শুক্ল জল"— চিত্ৰকূট পৰ্বতৰ শিখৰত মন্দাকিনী নদী; কিন্তু এইখিনি কথা কৈ থলে নদীখনৰ সৌন্দৰ্য আমাৰ আগত সম্পূৰ্ণৰূপে প্ৰতিভাত হৈ নুঠে। সেয়ে কবিয়ে আমাৰ কল্পনাক উদ্দীপ্ত কৰিবৰ বাবে এক অৱলম্বনৰ সন্ধান কৰিছে — "তনক ঢাকিয়া যেন বস্ত্ৰৰ আঞ্চল।" কোনো নাৰীয়ে নিজৰ তনক ঢাকি চাদৰ লোৱাৰ দৰে মন্দাকিনী নদী যেন চিত্ৰকূট পৰ্বতৰ শিখৰ ঢাকি বৈ আহিছে তললৈ। বগা চাদৰৰ দৰে জলমলীয়া জলধাৰাৰে মন্দাকিনী নদীখনে চিত্ৰকূটৰ শিখৰ ঢাকি ধৰি যি সৌন্দৰ্যৰ সৃষ্টি কৰিছে সেই অপৰিস্ফুট সৌন্দৰ্যখিনি স্পষ্ট আৰু হৃদয়গ্ৰাহীভাৱে উৎপ্ৰেক্ষা অলংকাৰেৰে আমাৰ আগত তুলি ধৰিছে।

বহু সময়ত সাধাৰণ উকা ভাষাৰে ব্যক্ত কৰিব নোৱৰা গূঢ়-গভীৰ তত্ত্বও অলংকাৰৰ আশ্ৰয় লৈ সুস্পষ্টভাৱে প্ৰকাশ কৰিব পাৰি। উদাহৰণস্বৰূপে আমি গীতাৰ আত্মাৰ অনিত্যতা সম্পৰ্কে থকা শ্লোকটিৰ কথা ক'ব পাৰো—

বাসাংসি জীৰ্ণানি যথা বিহায়
নবানি গৃহ্নাতি নৰোহপৰাণি।
তথা শৰীৰাণি বিহায় জীৰ্ণা
ন্যন্যানি সংযাতি নবানিদেহী।।

মানুহে যেনেকৈ জীৰ্ণবস্ত্ৰ ত্যাগ কৰি নতুন বস্ত্ৰ ধাৰণ কৰে, আত্মায়ো সেইদৰে জীৰ্ণ শৰীৰ ত্যাগ কৰি নতুন শৰীৰ গ্ৰহণ কৰে। এই জীৰ্ণবস্ত্ৰ ত্যাগ কৰাৰ উপমাটিৰ জৰিয়তে এই তত্ত্বটি যিদৰে সুন্দৰ তথা প্ৰাঞ্জল ভাষাত প্ৰকাশ কৰা হৈছে, বিষয়বস্তু স্পষ্টৰূপত আমাৰ আগত ধৰা দিছেহি, পোনে পোনে কোৱা হ'লে সেয়া প্ৰাঞ্জল ৰূপত প্ৰকাশিত নহ'লহেঁতেন। ইয়াৰ পৰাই আমি ধাৰণা কৰিব পাৰোঁ যে অলংকাৰে কেনেদৰে বিষয়বস্তু স্পষ্টৰূপত তুলি ধৰিব পাৰে।

- **ৰমণীয়তা সম্পাদন ঃ** কাব্যত অলংকাৰৰ তৃতীয় তথা আটাইতকৈ প্ৰধান প্ৰয়োজনীয়তা হ'ল — ৰমণীয়তা সম্পাদন। এই সম্পৰ্কে নাগোজী ভট্টৰ মন্তব্যটি প্ৰণিধানযোগ্য — "চাৰুত্বহেতুশ্চালংকাৰঃ" (*কাব্য প্ৰকাশটীকা*) অৰ্থাৎ চাৰুত্বই অলংকাৰ বা অলংকাৰৰ মুখ্য প্ৰয়োজনীয়তা হ'ল চাৰুত্ব। চাৰুত্বকে সৌন্দৰ্য, ৰমণীয়তা আদি বিবিধ শব্দৰে বুজোৱা হয়। আনহাতে ৰসবাদী আচাৰ্যসকলৰ মতে ৰস সৃষ্টি কৰাই হ'ল অলংকাৰৰ মুখ্য কথা। কথাষাৰে পৰিশেষত কিন্তু আমাক একে ঠাইকে পোৱায়গৈ।

আলংকাৰিক কুন্তকে বক্ৰোক্তিৰ বিষয়ে ক'বলৈ গৈ মন্তব্য কৰিছিল—

শব্দাৰ্থৌ সহিতৌ বক্ৰকবিব্যাপাৰশালিনি।
বন্ধে ব্যৱস্থিতৌ কাব্যং তদ্বিদামাহ্লাদকাৰিণি।।

বক্ৰোক্তি, অতিশয়োক্তিযুক্ত বাক্য মাত্ৰেই প্ৰভাৱশালী হ'লেও সেই শব্দাৰ্থত ৰমণীয়তা বা আহ্লাদকাৰিতা নাথাকিলে সি অলংকাৰৰ শাৰীলৈ উঠিব নোৱাৰে। উদাহৰণ এটিৰে কথাটি বুজাই কোৱা হওক। "কলহৰ নিচিনা পেট"— এই বাক্যশাৰীত সাদৃশ্য আছে, বেকাকৈ কোৱা হৈছে কিন্তু ইয়াত মনোহাৰিত্ব নাই বাবে ই অলংকাৰৰ শাৰীলৈ উত্তীৰ্ণ হোৱা নাই। আনহাতে "পদুমৰ দৰে মুখ"— এই বাক্যশাৰীত থকা সাদৃশ্যই পাঠকৰ মনলৈ মনোহাৰিত্বৰ ভাব আনিছে আৰু সৌন্দৰ্য স্পষ্টৰূপত প্ৰকাশ কৰিছে। ঠিক সেইদৰে জৰীত সৰ্পভ্ৰম দেখুৱাই জগতৰ মিথ্যাত্ব প্ৰকাশ কৰি বেদান্ত ৰহস্য প্ৰকাশ কৰিছে; কিন্তু ই কাব্যত সৌন্দৰ্য প্ৰকাশ কৰা নাই। কিন্তু "পদুম বুলি মুখত ভোমোৰা পৰিছে"— এই বাক্যশাৰীয়ে মনলৈ ভ্ৰান্তি অনাৰ পাছমুহূৰ্ততে মনত ৰমণীয়তাৰ প্ৰলেপ সানি বক্তাৰ গুঢ়াৰ্থ বুজাত সহায় কৰিছে। অৰ্থাৎ ৰমণীয়তা সম্পাদন কৰিছে। আচাৰ্য বামনে কৰা মন্তব্য "সৌন্দৰ্য্যমলংকাৰ"ত এই ৰমণীয়তা সম্পাদন কথাষাৰেই ক্ৰিয়া কৰি আছিল।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ২ ঃ** 'কাব্য গ্ৰাহ্যমলঙ্কাৰৎ'— কোনে কৈছিল?

..........................................................................................

**প্ৰশ্ন নং ৩ ঃ** বিষয়বস্তুৰ স্পষ্টীকৰণ অলংকাৰৰ মুখ্য প্ৰয়োজন— কথাষাৰ শুদ্ধ নে অশুদ্ধ।

..........................................................................................



**চিন্তা-চৰ্চা কৰক — ৭.১**

*'অধিক জানিবলৈ'ত উল্লেখ থকা* পুথিসমূহৰ লগতে এই সম্পৰ্কে থকা অন্য কিতাপৰ সহায়েৰে অলংকাৰৰ সংজ্ঞা সম্পৰ্কে থকা মতভেদসমূহ নিজাকৈ ফঁহিয়াই আলোচনা কৰক।

## ৭.৬ কাব্যত অলংকাৰৰ স্থান

কাব্যত অলংকাৰৰ স্থান কি? ইয়াৰ স্থান মুখ্য নে গৌণ? এই সম্পৰ্কে বিভিন্নজনে বিভিন্ন সময়ত নিজৰ নিজৰ মত দাঙি ধৰিছে। এই মতামতসমূহ বিচাৰ কৰিলে আমি প্ৰধানতঃ দুটা প্ৰধান মত দেখিবলৈ পাওঁ। উল্লেখযোগ্য যে দুয়োটা মতৰ পাৰ্থক্য কুমেৰু-সুমেৰু। প্ৰথম মতটোৰ প্ৰবক্তাসকলে ভামহৰ সুৰতে সুৰ মিলাই মন্তব্য কৰিছে — "ন কান্তমপি নিৰ্ভূষং বিভাতি ৰমণিমুখম্।" যুৱতীৰ ধুনীয়া মুখো প্ৰসাধনহীন হ'লে শোভা নাপায়। অৰ্থাৎ বাক্য সুন্দৰ সুন্দৰ শব্দৰে গঠিত হ'লেও অলংকাৰ নহ'লে তাৰ শোভা প্ৰকাশিত নহয়। ক'ব পাৰি অলংকাৰ কাব্যৰ অপৰিহাৰ্য অংগ। এই মতৰ পৃষ্ঠপোষক আচাৰ্যসকলৰ ভিতৰত ভামহ, উদ্ভট, জয়দেৱ, দণ্ডী আদিৰ নাম উল্লেখযোগ্য।

আনহাতে দ্বিতীয় মতটো প্ৰকাশ কৰিব পাৰি কালিদাসৰ এষাৰ বাক্যৰে — "ইয়ম্ অধিকমনোজ্ঞা ৱল্কলেনাপিতন্বী।" মহাকবি গৰাকীয়ে শকুন্তলাৰ বিষয়ে ক'বলৈ গৈ এই কথাষাৰ ব্যক্ত কৰিছিল— যি বাকলিবসন পিন্ধিও অধিক মনোহাৰিণী। অৰ্থাৎ অলংকাৰবিহীন বাক্যও সুন্দৰ হ'ব পাৰে। এই মতবাদৰ প্ৰবক্তাসকলৰ মতে অলংকাৰ কাব্যৰ উপৰুৱা সামগ্ৰী, অনিত্য আৰু অস্থিৰ ধৰ্ম। ভট্ট বামন, অভিনৱগুপ্ত, আনন্দৱৰ্ধন, বিশ্বনাথ কবিৰাজ, মম্মট আদি হ'ল এই মতবাদৰ প্ৰধান প্ৰবক্তা। মম্মটে আনকি কাব্যৰ লক্ষণৰ বিষয়ে ক'বলৈ গৈ স্পষ্টভাৱে মন্তব্য কৰিছে— "অনলংকৃতী পুনঃক্কাপি" অৰ্থাৎ অলংকাৰ নহ'লেও কাব্য হয়। এই দুয়োটা মতবাদৰ বিষয়ে অলপ বহলাই আলোচনা কৰা হওক।

প্ৰথম মতটোৰ প্ৰবক্তা ভামহে মন্তব্য কৰিছিল যে অলংকাৰ হ'ল 'বাচ্যোপস্কাৰক" — শব্দ আৰু তাৰ অৰ্থৰ সৌন্দৰ্যৰ হেতু। এই মতাদৰ্শৰ প্ৰবক্তাসকলে বিশ্বাস কৰে কাব্যশৰীৰ স্বভাৱতে

সুন্দৰ হ'বও পাৰে, নহ'বও পাৰে; কিন্তু ইয়াৰ লগত অলংকাৰস্বৰূপ সৌন্দৰ্যৰ সাধন ঘটালেহে কাব্য হৃদয়গ্ৰাহী আৰু শোভাশীল হয়। এই ক্ষেত্ৰত প্ৰণিধানযোগ্য কথাটি হ'ল — য'ত অলংকাৰ আৰোপ কৰা হ'ব বা অলংকৃত কৰা হ'ব, তাৰ অলংকাৰ্যও অৱশ্যেই থাকিব লাগিব। অলংকাৰবাদীসকলৰ মতে কাব্যৰ শৰীৰ শব্দাৰ্থই অলংকাৰ্য। উদাহৰণৰ দ্বাৰা বুজাই ক'লে— "শিখৰে ওপৰে মন্দাকিনী শুক্ল জল" এই বাচ্যাৰ্থত আমি কবিৰ মন্তব্য জ্ঞাত হ'লো, কিন্তু মন্দাকিনীৰ প্ৰকৃত সৌন্দৰ্য প্ৰস্ফুটিত হৈ উঠা দেখা নাপালোঁ। সেই বাবে কবিয়ে "তনক ঢাকিয়া যেন বস্ত্ৰৰ আঞ্চল" এই সাদৃশ্যটো দাঙি ধৰি নিজৰ বক্তব্য অধিক গভীৰ কৰি তুলিছে। এই উদাহৰণটিত "শিখৰে ওপৰে মন্দাকিনী শুক্ল জল" এই বাচ্যাৰ্থক উপকৃত কৰিছে, সুশোভিত কৰিছে উ ৎপ্ৰেক্ষা অলংকাৰে। এনেদৰে আমি যদি বিচাৰ কৰো তেন্তে দেখিম যে বাচ্য বাচকৰূপ কাব্যশৰীৰ শোভাশীলতা কৰাই যদি অলংকাৰৰ কৰ্ম বুলি ধৰা হয় তেতিয়া হ'লে অলংকাৰৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। কিন্তু এনে কিছুমান কাব্য আছে য'ত বিশেষ অলংকাৰ পোৱা নাযায়, কিন্তু সেইবোৰো একো একোটা উৎকৃষ্টতম সৃষ্টি তথা হৃদয়গ্ৰাহী। এনেস্থলত অলংকাৰৰ প্ৰাধান্যৰ ক্ষেত্ৰত সন্দেহৰ সৃষ্টি হয়। কিন্তু অলংকাৰ সৰ্বস্ববাদীসকলে এই ক্ষেত্ৰত ক'ব খোজে যে এইবোৰতো অলংকাৰ বিদ্যমান। তেওঁলোকে মন্তব্য কৰে যে প্ৰতীয়মান ধ্বনি, ৰস এইবোৰো শেষ বিচাৰত বাচ্যাৰ্থৰ উপস্কাৰক আৰু বাচ্যাৰ্থৰ উপস্কাৰক মানেই অলংকাৰ। আচাৰ্য ৰুদ্ৰটে এই বিষয়ে মন্তব্য আগবঢ়াইছে যে — ৰূপকাদি অলংকাৰৰ প্ৰতীয়মান যি অৰ্থ তাৰ দ্বাৰাহে বাচ্যাৰ্থৰ চাৰুত্ব সম্পাদিত হয়। শৃংগাৰাদি ৰস, লজ্জা-অভিমান আদি ভাব, বস্তুবিশেষৰ ধ্বনি যেতিয়া বাচ্যাৰ্থৰ শোভাৰ কাৰণ, তেতিয়া— "ৰসবৎপ্ৰেয়ঃ" আদি অলংকাৰৰ পৰ্যায়ত সেইবোৰক স্থান দিব পাৰি। সকলো প্ৰকাৰৰ প্ৰতীয়মান অৰ্থ (ৰস, অলংকাৰ, বস্তু) বাচ্যাৰ্থৰ শোভাৰ কাৰণ। সেই কাৰণে তাকো অলংকাৰ বোলাই যুগুত।

উদ্ভটৰ টীকাকাৰ প্ৰতীহাৰেন্দুৰাজে ধ্বনিবাদী আচাৰ্যসকলৰ মতামত খণ্ডন কৰিছে। তেওঁ কৈছে যে — প্ৰতীয়মান অৰ্থ অলংকাৰ্য নহয় অলংকাৰহে, কাৰণ প্ৰধান বস্তুও কেতিয়াবা গৌণবস্তুৰ সৌন্দৰ্যৰ হেতু হয়। তেতিয়া প্ৰধান বস্তুৰ সৌন্দৰ্য গৌণ বস্তুৰ সৌন্দৰ্যৰ সাধনৰূপে পৰিগণিত হ'ব পাৰে।

আনহাতে আন এচাম আচাৰ্যই এই মত মানি ল'বলৈ টান পালে। আমি আগতেই উল্লেখ কৰিছোঁ যে এইসকলৰ ভিতৰত ভট্ট বামন, অভিনৱগুপ্ত, মম্মট আদি উল্লেখযোগ্য। তেওঁলোকে বিগত যৌৱনা তিৰোতা এগৰাকীৰ উদাহৰণ দাঙি ধৰি উক্ত মতবাদটি খণ্ডন কৰিব বিচাৰে। তেওঁলোকে কৈছে যে — এনে এগৰাকী তিৰোতাই যদি বিভিন্ন অলংকাৰ পৰিধান কৰি নিজকে সুন্দৰ কৰি তুলিবলৈ যত্ন কৰে তেন্তে সেয়া ভেকো-ভাওনা স্বৰূপ হ'ব আৰু তাই উপহাসৰ পাত্ৰীহে হ'ব, আনকি নিজৰ বয়সৰ সৌন্দৰ্যৰ পৰাও নামি আহিব। এই উদাহৰণেৰে তেওঁলোকে পতিয়ন নিয়াব বিচাৰে যে বাচ্যাৰ্থৰ নিজস্ব সৌন্দৰ্য অবিহনে অলংকাৰে তাৰ লাৱণ্য সৃষ্টি কৰিব নোৱাৰে। বামনৰ মতে বাচ্যাৰ্থত ওজঃ আদি গুণ থাকিব লাগিব। এই গুণ কাব্যৰ স্থায়ীবস্তু আৰু ইয়াত অলংকাৰ লগালেহে সাৰ্থকতা আহিব। আনকি তেওঁ মন্তব্য কৰিছে—

"কাব্যশোভায়াঃ কৰ্ত্তাৰো ধৰ্মা গুণাঃ তদতিশয়হেতবস্তুলঙ্কাৰাঃ।" — অৰ্থাৎ অলংকাৰ কাব্যৰ অনিত্যবস্তু। গুণান্বিত কাব্যত থাকিলে ভাল, নাথাকিলে কাব্য লোপ পাব এনে কথা হ'ব নোৱাৰে। গুণবাদী আচাৰ্যসকলে কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা একেবাৰে গৌণ কৰি দিয়া নাই। কিন্তু অলংকাৰেই কাব্যৰ প্ৰাণ হিচাপে মানি নলয়। ধ্বনিবাদী আচাৰ্যসকলে গুণৰ প্ৰাধান্য স্বীকাৰ নকৰি ইয়াকো ৰসৰ ধৰ্ম বা অভিব্যক্তি বিশেষ বুলি মন্তব্য আগবঢ়াইছে। সেইদৰে অলংকাৰকো তেওঁলোকে শব্দাৰ্থ শৰীৰৰ শোভাধায়ক বুলি নকৈ ৰসৰূপ কাব্যাত্মাৰ শব্দাৰ্থ শৰীৰৰ যোগেদি সৌন্দৰ্যবৰ্দ্ধক বুলিহে মানি লয়। এই ক্ষেত্ৰত তেওঁলোকে এগৰাকী মৃত যুৱতীৰ শৰীৰত অলংকাৰে শোভা কৰেনে নকৰে সেই উদাহৰণ টানি আনি মন্তব্য কৰিছে যে মানুহজন ব্যক্তিত্ব বা আত্মাহীন হ'লে সকলো অলংকাৰ ব্যথা। আচাৰ্য আনন্দবৰ্ধনে অলংকাৰক ৰসানুগুণ কৰি প্ৰয়োগ কৰাৰ পোষকতা কৰিছে। ৰস আৰু ভাবৰ অনুকূলে তাৰ পৰিপোষকৰূপেহে অলংকাৰ সৃষ্টি হ'ব লাগে— তেতিয়াহে অলংকাৰে প্ৰকৃত অলংকাৰত্ব লাভ কৰে। আৰু অলংকাৰ দিওঁ বুলি দিব নোৱাৰি, সি নিজে নিজে সৃষ্টি হ'ব কাব্যৰ ৰসানুযায়ী। আচাৰ্য মম্মটেও এই মতটিকে পোষণ কৰিছে। তেওঁৰ মতে "যেনেকৈ হাৰ আদি আভূষণে কণ্ঠাদি অংগৰ সৌন্দৰ্য বঢ়ায়, সেইদৰে উপমা আদি অলংকাৰে শব্দ আৰু অৰ্থৰূপ কাব্যশৰীৰৰ যোগেদি সেই ৰসৰূপ শৰীৰৰ সৌন্দৰ্য বঢ়ায়।"

এনে কিছুমান কাব্য আছে য'ত টানি-আজুৰি নেদেখুৱালে তাত প্ৰকৃত অলংকাৰ দেখা পোৱা নাযায়, কিন্তু এইবোৰো একো একোটা উৎকৃষ্টতম কবিতা। আনহাতে এনে কিছুমান কাব্য আছে য'ত অলংকাৰেৰে ভাৰাক্ৰান্ত কৰি কাব্য জঠৰ আৰু নীৰস কৰি পেলোৱা হৈছে।

এই আলোচনাৰ পৰা আমি এটা সিদ্ধান্তত উপনীত হ'ব পাৰোঁ যে অলংকাৰৰ অৱদান কোনখিনি বা ইয়াৰ স্থান গৌণ নে মুখ্য সেয়া প্ৰধান বিচাৰ্য বিষয় নহয়। কাৰণ অলংকাৰৰ অৱদানখিনি সুকীয়াকৈ লৈ কাব্য উপভোগ কৰা নাযায়। কবিৰ প্ৰতিভাই অলংকাৰক সাৰ্থক কৰে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৪ ঃ** "কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা গৌণ"— এই মতবাদৰ প্ৰবক্তা চাৰিজনৰ নাম লিখক।

........................................................................................

## ৭.৭ অলংকাৰৰ শ্ৰেণীবিভাজন

অলংকাৰৰ শ্ৰেণীবিভাজন সম্পৰ্কেও বহুতো মতবিৰোধ আছে। ভৰত মুনিয়ে প্ৰথমতে চাৰিটা অলংকাৰৰ কথা ব্যক্ত কৰিছিল। কিন্তু ক্ৰমবিকশিত সময়ত কাব্যই বিভিন্ন ধৰণে সমৃদ্ধি লাভ কৰাৰ বাবে অলংকাৰৰ সংখ্যা ক্ৰমাৎ বাঢ়ি আহিল। আনকি কিছুমান অলংকাৰ আন আন অলংকাৰৰ বুকুত জাহ নিয়াব পৰা বিধৰ। সেই বাবেই হয়তো আচাৰ্য ৰুদ্ৰটে মন্তব্য কৰিছিল যে — "যাবন্তো হৃদয়াৱৰ্জকা অৰ্থপ্ৰকাৰাঃ তাৱন্তোহলংকাৰাঃ।" অৰ্থাৎ হৃদয় আহ্লাদক যিমান প্ৰকাৰৰ

অৰ্থ হ'ব অলংকাৰৰ সংখ্যাও সিমান। আচাৰ্য দণ্ডীয়েও এই কথাত একমত। বহু ক্ষেত্ৰত আলংকাৰিকসকলৰ মাজত কোনটো অলংকাৰ আৰু কোনটো অলংকাৰ নহয় এই সম্পৰ্কেও মতভেদ আছে। অলংকাৰৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে এইবোৰৰ মাজত থকা কিছু সাদৃশ্যকে অৱলম্বন কৰি আলংকাৰিকসকলে শ্ৰেণীবিভাগ কৰি অলংকাৰৰ বৰ্ণনা কৰিছে।

এনেদৰে শ্ৰেণীবিভাগ কৰাৰ ক্ষেত্ৰত আমি আচাৰ্য ৰুয্যকে কৰা শ্ৰেণীবিভাগটোৰ কথা উল্লেখ কৰিব পাৰোঁ। তেওঁ বিজ্ঞানসন্মতভাৱে বিশ্লেষণ কৰি অলংকাৰসমূহত মূলতঃ সাতটা ভাগত ভাগ কৰিছে। যথা —

(ক) সাদৃশ্যগৰ্ভ, (খ) বিৰোধ গৰ্ভ,
(গ) শৃংখলাবদ্ধ, (ঘ) তৰ্ক-ন্যায়মূলক,
(ঙ) লোকন্যায়মূলক, (চ) গুঢ়াৰ্থ-প্ৰতীতিমূলক, আৰু (ছ) অন্যান্য।

কিন্তু মূলতঃ এই ভাগ অৰ্থালংকাৰ বিষয়ক। অলংকাৰৰ প্ৰধান ধৰ্ম দুটা নিৰ্ণয় কৰি ইয়াক মূলতঃ দুটা ভাগত ভাগ কৰা হয়। যথা — শব্দালংকাৰ আৰু অৰ্থালংকাৰ। ইয়াৰ উপৰি উভয়বিধ অলংকাৰৰ লক্ষণ থকা আন এবিধ ভাগৰ কথাও উল্লেখ কৰা হয় — উভয়ালংকাৰ। পিছে সংস্কৃত অলংকাৰ শাস্ত্ৰত এইবিধ অলংকাৰৰ চৰ্চা বৰ বিশেষভাৱে দেখা নাযায়। সেয়ে জটিলতাৰ পৰা হাত সাৰিবলৈ অলংকাৰ মূলতঃ দুবিধ বুলিয়েই কোৱা ভাল।

## ৭.৭.১ শব্দালংকাৰ

যিবোৰ অলংকাৰৰ সাৰ্থকতা নিৰ্ভৰ কৰে কাব্যত ব্যৱহৃত শব্দৰ ওপৰত তেনে অলংকাৰকে শব্দালংকাৰ বোলা হয়। এইবিধ অলংকাৰত যিটো শব্দৰ প্ৰয়োগৰ ফলত অলংকাৰ সৃষ্টি হৈছে সেই শব্দটোৰ একে অৰ্থযুক্ত আন এটা শব্দ বহুৱালে অলংকাৰটো ৰক্ষিত নহয় অৰ্থাৎ অলংকাৰ শব্দৰ ওপৰত নিৰ্ভৰশীল। এটা উদাহৰণেৰে কথাষাৰ ভালদৰে বুজাই কোৱা হওক।

দয়াময় দীননাথ দয়া দান দিয়া
কাকুতি কৰিছো মই কাতৰ কৰিয়া।

এই কাব্যশাৰীত এটা বৰ্ণ (দ) একাধিকবাৰ উল্লেখিত হৈ এক শ্ৰুতি মাধুৰ্যৰ সৃষ্টি কৰাৰ লগতে অনুপ্ৰাস অলংকাৰৰ সৃষ্টি কৰিছে। এই কাব্যশাৰীৰ 'দীননাথ' শব্দটোৱে 'ভগৱান'ক চিহ্নিত কৰিছে। এই দীননাথ শব্দটোৰ ঠাইত যদি আমি 'ভগৱান' বা 'ভগৱন্ত' শব্দটো লগালেও তাৰ অৰ্থৰ পৰিৱৰ্তন নহয়; কিন্তু তাত থকা অলংকাৰটি নাইকিয়া হৈ যাব। গতিকে দেখা গ'ল যে কাব্যাশংত অলংকাৰৰ অস্তিত্ব নিৰ্ভৰ কৰিছে শব্দৰ ওপৰত। সেয়ে ক'ব পাৰি ই হ'ল শব্দালংকাৰ। এই বিষয়ে ইয়াৰ পৰৱৰ্তী অধ্যায়টোত বহলাই আলোচনা দাঙি ধৰা হ'ব।

### ৭.৭.২ অৰ্থালংকাৰ

শব্দালংকাৰ যেনেদৰে শব্দৰ ওপৰত নিৰ্ভৰশীল, ঠিক তেনেদৰে অৰ্থালংকাৰ কাব্যৰ অৰ্থৰ ওপৰত নিৰ্ভৰশীল। ইয়াত শব্দৰ পৰিৱৰ্তন কৰি একে অৰ্থযুক্ত আন শব্দ ব্যৱহাৰ কৰিলেও তাত থকা অলংকাৰটি উৰি নাযায় বা নাইকিয়া নহয়। অৰ্থাৎ অলংকাৰ সৃষ্টিৰ ক্ষেত্ৰত অৰ্থৰ প্ৰাধান্য আছে। উদাহৰণস্বৰূপে—

দুৰ্জ্জনৰ মিষ্ট কথা বিহৰ নিচিনা
তাত ভোলে যিটো লোক দিনতেই কণা।

এই উদাহৰণটিত অলংকাৰ ৰক্ষিত হৈ অৰ্থৰ ওপৰত নিৰ্ভৰ কৰি। ইয়াত বিহক তুলনা কৰা হৈছে মিষ্ট কথা লগত আৰু যিজনে তেনে কথা ভোল যায় তেওঁ দিনতেই কণা বুলি কৈছে। আমি যদি 'বিহ'ৰ ঠাইত 'গৰল' শব্দটি আৰু 'মিষ্ট কথা' শব্দটিৰ ঠাইত 'মধুৰ কথা' বা 'সুন্দৰ কথা' শব্দ দুটিৰ যিকোনো এটা ব্যৱহাৰ কৰোঁ তেতিয়াও দেখিম যে কাব্যাংশৰ অৰ্থৰ পৰিৱৰ্তন হোৱা নাই আৰু অলংকাৰো ৰক্ষিত হৈছে। গতিকে ক'ব পাৰি যে অৰ্থৰ ওপৰত নিৰ্ভৰ কৰি সৃষ্টি হোৱা অলংকাৰকে অৰ্থালংকাৰ বোলা হয়। এই বিষয়ে ইয়াৰ পাছৰ অধ্যায়টিত বহলাই আলোচনা কৰা হ'ব।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৫ ঃ** অলংকাৰক মূলতঃ ৮টা ভাগত ৰুয্যকে ভাগ কৰিছে — কথাষাৰ শুদ্ধ নে অশুদ্ধ?

..........................................................................................

**প্ৰশ্ন নং ৬ ঃ** উভয়ালংকাৰত অৰ্থৰ প্ৰাধান্য আছে — কথাষাৰ শুদ্ধনে?

..........................................................................................



## ৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'অহং অহং' ভাব যেনেকৈ অহংকাৰ, ঠিক সেইদৰে 'অলং অলং' ভাৱেই হ'ল অলংকাৰ। অলং শব্দৰ অৰ্থ হ'ল 'হ'ল আৰু নালাগে' আৰু সংস্কৃত 'আলং' বা 'আলম্' শব্দৰ পৰাই অলংকাৰ শব্দটি নিষ্পন্ন হৈছে। অলংকাৰে মূলতঃ কাব্যৰ শব্দ তথা অৰ্থৰ শোভা বৃদ্ধি কৰি কওঁতাৰ মন ভৰাই তোলে। প্ৰাচীন আলংকাৰিকসকলে অলংকাৰ শব্দটি দুই ধৰণৰ অৰ্থত ব্যৱহাৰ কৰিছে। প্ৰথম ধাৰণা মতে পৰ্যাপ্তি বা যথেষ্ট, অৰ্থাৎ হ'ল আৰু নালাগে আৰু দ্বিতীয় অৰ্থ মতে ভূষণ।

- অলংকাৰৰ সংজ্ঞা নিৰূপণৰ ক্ষেত্ৰত মতবিৰোধ আছে। কেইটিমান উল্লেখযোগ্য মতবাদ হ'ল —
  - কাব্যশোভাকৰান্ ধৰ্ম্মানলঙ্কাৰান্ প্ৰচক্ষতে। — *দণ্ডী*
  - কাব্যং গ্ৰাহ্যমলঙ্কাৰাৎ — *বামন*
  - সৌন্দৰ্য্যমলঙ্কাৰঃ —– *বামন*
  - ৰূপকাদিৰলঙ্কাৰ - স্তস্যানৈৰ্ব্বহুধোদিতঃ।
    ন কান্তমপি নিৰ্ভূষং বিভাতি ৰমণীমুখম্।। — *ভামহ*
- কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা উপলব্ধ হয় তিনি ধৰণে— বাক্য প্ৰভাৱশালী কৰাৰ বাবে, বৰ্ণনীয় বিষয় স্পষ্টৰূপত তুলি ধৰিবৰ বাবে আৰু ৰমণীয়তা সম্পাদনৰ বাবে।
- কাব্যত অলংকাৰে স্থান গৌণ নে মুখ্য সেই বিষয়েও মতবিৰোধ আছে। মূলতঃ ক'ব পাৰি কাব্যত অলংকাৰৰ অৱদান কোনখিনি বা ইয়াৰ স্থান গৌণ নে মুখ্য সেয়া প্ৰধান বিচাৰ্য বিষয় নহয়। কাৰণ অলংকাৰৰ অৱদানখিনি সুকীয়াকৈ লৈ কাব্য উপভোগ কৰা নাযায়। কবিৰ প্ৰতিভাই অলংকাৰক সাৰ্থক কৰে।
- অলংকাৰৰ প্ৰধান ধৰ্ম দুটা নিৰ্ণয় কৰি ইয়াক মূলতঃ দুটা ভাগত ভাগ কৰা হৈছে। যথা — শব্দালংকাৰ আৰু অৰ্থালংকাৰ। যিবোৰ অলংকাৰৰ সাৰ্থকতা নিৰ্ভৰ কৰে কাব্যত ব্যৱহৃত শব্দৰ ওপৰত তেনে অলংকাৰকে শব্দালংকাৰ বোলা হয়। অৰ্থৰ ওপৰত নিৰ্ভৰ কৰি সৃষ্টি হোৱা অলংকাৰকে অৰ্থালংকাৰ বোলা হয়।

## ৭.৯ অধিক জানিবলৈ

১) গোস্বামী, ত্ৰৈলোক্যনাথ (১৯৯৯); *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* ডিব্ৰুগড় ঃ বনলতা।

২) ডেকা, ধৰ্ম্মসিংহ (২০০৬); *ছন্দ আৰু অলংকাৰ;* গুৱাহাটী ঃ অসম বুক ডিপো।

৩) বৰা, মহেন্দ্ৰ (১৯৯৭); *অসমীয়া ছন্দৰ শিল্পতত্ত্ব;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

৪) বৰা, মহেন্দ্ৰ (১৯৯০); *অসমীয়া কবিতাৰ ছন্দ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৫) বৰা, যতীন (১৯৯৯); *ছন্দ, ধ্বনি আৰু অলংকাৰ;* ডিব্ৰুগড় ঃ বনলতা।

৬) বৰুৱা, নৰকান্ত (১৯৬৪); *অসমীয়া ছন্দ শিল্পৰ ভূমিকা;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

৭) শৰ্মা, তীৰ্থনাথ (২০০৬); *সাহিত্য বিদ্যা পৰিক্ৰমা;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৮) শৰ্মা, মুকুন্দমাধৱ (১৯৯১); *ধ্বনি আৰু ৰসতত্ত্ব;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৯) শাস্ত্ৰী, মনোৰঞ্জন (২০০৯); *সাহিত্য দৰ্শন;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১০) শৰ্মা, সোণাপতি দেৱ (২০০৮); *অসমীয়া সাহিত্যৰ সাজ;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

## ৭.১০ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** সংস্কৃতৰ 'আলং' বা 'আলম্' শব্দ।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** আচাৰ্য বামনে।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** ভট্ট বামন, অভিনৱগুপ্ত, আনন্দবৰ্ধন, বিশ্বনাথ কবিৰাজ, মম্মট আদি।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

## ৭.১১ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) অলংকাৰ কাক বোলে?

(খ) অলংকাৰ সম্পৰ্কে ভামহে দিয়া সংজ্ঞাটো লিখক।

(গ) "সৌন্দৰ্য্যমলংকাৰ" বুলি কোনে মত পোষণ কৰিছিল?

**খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** অলংকাৰৰ অৰ্থ নিৰূপণ কৰি সংজ্ঞা লিখক?

**প্ৰশ্ন ২ ঃ** চমুটোকা লিখক —

(ক) ৰমণীয়তা সম্পাদন (খ) বাক্য প্ৰভাৱশালী কৰা

(গ) বৰ্ণনীয় বিষয়ৰ স্পষ্টীকৰণ

**গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

**প্ৰশ্ন ২ ঃ** সাহিত্যত অলংকাৰৰ স্থান নিৰূপণ কৰক।

**প্ৰশ্ন ৩ ঃ** অলংকাৰৰ শ্ৰেণীবিভাজন সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

*** ***** ***